অজিত সিং আৰু অন্যান্য

বনাম

পঞ্জাব চৰকাৰ আৰু অন্যান্য

৮ ডিচেম্বৰ, ১৯৯৯

মহামান্য মুখ্য ন্যায়াধীশ- ড° এ এছ আনন্দ,

মহামান্য ন্যায়াধীশ: এচ বি মজুমদাৰ, জি.বি. পট্টনায়ক, এছ.পি. বি কুৰ্ডুকাৰ আৰু এম. কান্দিব জগন্নাধ ৰাও

ভাৰতৰ সংবিধান, ১৯৫০ :

অনুচ্ছেদ ১৬(৪) - ৰাজহুৱা নিয়োগ - পিছপৰা শ্ৰেণীৰ নাগৰিকৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰিবলৈ ৰাষ্ট্ৰৰ ক্ষমতা – ৰায় প্ৰদান কৰা হয় যে অনুচ্ছেদ ১৬(৪) কেৱল এটা সক্ষমতা প্ৰদানকাৰী বিধান।

অজিত সিং II বনাম পঞ্জাৱ চৰকাৰ, [১৯৯৭) ৭ এছচিচি ২০৯ গোচৰটো পুনৰবাৰ উল্লেখ কৰা হৈছে।

ইন্দিৰা ছাহনী বনাম কেন্দ্ৰীয় চৰকাৰ, ভাৰত, (১৯৯২) অনুপুৰক ২ এছচিআৰ ৪৫৪; বালাজী বনাম মহীশূৰ চৰকাৰ, (১৯৬৩) অনুপুৰক ১এছচিআৰ ৪৩৯; চি.এ. ৰাজেন্দ্ৰ বনাম কেন্দ্ৰীয় চৰকাৰ, ভাৰত, (১৯৬৮) ১ এছচিআৰ ৭২১; পি এণ্ড টি অনুসূচিত জাতি/জনজাতি কৰ্মচাৰী কল্যাণ সংস্থা (পঞ্জীভুক্ত) বনাম কেন্দ্ৰীয় চৰকাৰ, ভাৰত, (১৯৯৮) ৪ এছচিচি ১৪৭ আৰু ষ্টেট বেংক অৱ ইণ্ডিয়া বনাম অনুসূচিত জাতি/জনজাতি কৰ্মচাৰী কল্যাণ সংস্থা, ১৯৯৬ ৪ এছচিচি ১১৯- গোচৰৰ ওপৰত নিৰ্ভৰ কৰা হৈছে।

দেৱানী আপীল অধিকাৰক্ষেত্ৰ: ১৯৯৯ চনৰ পুনৰীক্ষণ আবেদন নম্বৰ ১৫০৪- ১৫০৬

১৯৯৭ চনৰ অন্তৰৰৰ্তীকালীন আবেদন নম্বৰ ১-৩- ত

১৯৮৯ চনৰ দেৱানী আবেদন নম্বৰ ৩৭৯২-৩৭৯৪

পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ ১৯৮৭ চনৰ দেৱানী লেখ আবেদন নং ২১৯০/৮৮, ৭৮৬০-৭৮৬১ ত ২৩.৮.১৯৮৯ তাৰিখে প্ৰদান কৰা ৰায় আৰু আদেশৰ পৰা :

আদালতৰ তলত দিয়া আদেশ দিয়া হৈছিল :

বিলম্ব মাৰ্জনা কৰা হৈছে।

আমাৰ মতে পুনৰীক্ষণ আবেদনখনৰ কোনো বৈধ ভিত্তি নাই।

অজিত সিং II বনাম পঞ্জাৱ চৰকাৰ, (১৯৯৭) ৭ এছচিচি ২০৯ ৰ ক্ষেত্ৰত, ১৯৬৩ চনৰ পূৰ্বৰ ৰায়সমূহৰ কথা উল্লেখ কৰি পৃষ্ঠা)২২৯-২৩০ ত (কোৱা হৈছিল যে ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ১৬ (৪) ক এনে এক ব্যৱস্থা হিচাপে গণ্য কৰা হৈছিল যি সংৰক্ষণ ৰ সক্ষমতা প্ৰদান কৰে কিন্তু কোনো সাংবিধানিক বাধ্যবাধকতা আৰোপ নকৰে বা সংৰক্ষণ সম্পৰ্কে কোনো মৌলিক অধিকাৰ প্ৰদান নকৰে। ন্যায়াধীশ জীৱন ৰেড্ডীয়ে ইন্দিৰা ছা হনীৰ গোচৰটোৰ ৬৯১ পৃষ্ঠাত কৰা পৰ্যবেক্ষণবোৰ ওপৰোক্ত বিষয়টোৰ সৈতে প্ৰাসংগিক নাছিল। বৰঞ্চ উচ্চতম ন্যায়ালয়ৰ দুখন সংবিধান বিচাৰপীঠৰ ৰায়ত প্ৰকাশ পোৱা মতামতৰ ওপৰতহে পুনৰীক্ষণৰ আবেদনসমূহ নিৰ্ভৰ কৰিছিল । সেই মতামত এম.আৰ.বালাজী বনাম মহীশূৰ চৰকাৰ, [১৯৬৩] অনুপুৰক ১ এছচিআৰ ৪৩৯ গোচৰত আৰু চি.এ. ৰাজেন্দ্ৰন বনাম কেন্দ্ৰীয় চৰকাৰ, ভাৰত, [ ১৯৬৮] ১ এছচিআৰ ৭২১ গোচৰত লোৱা হৈছিল। তদুপৰি এই ক্ষেত্ৰত পি এণ্ড টি অনুসূচিত জাতি/জনজাতি কৰ্মচাৰী কল্যাণ সংস্থা (পঞ্জীয়নভুক্ত) বনাম কেন্দ্ৰীয় চৰকাৰ, ভাৰত, [1998] ৪ এচ চি চি ১৪৭ আৰু ভাৰতীয় ষ্টেট বেংক বনাম অনুসূচিত জাতি ট্ৰাইবছ এম্প্লয়িজ ৱেলফেয়াৰ এছ'চিয়েচন, [ ১৯৯৬] ৪ এছচিচি ১১৯১ গোচৰত দিয়া ৰায়দানৰ ক্ষেত্ৰতো একেই মতামত পোষণ কৰা হৈছিল। এই দৃষ্টিভংগীক ইন্দিৰা ছাহনীৰ গোচৰৰ ক্ষেত্ৰত প্ৰত্যাহ্বান জনোৱা হোৱা নাছিল বিশেষকৈ সেই গোচৰৰ ৬৯১ নং পৃষ্ঠাত ন্যায়াধীশ জীৱন ৰেড্ডীয়ে কৰা পৰ্যবেক্ষণত সেইয়া প্ৰকাশ পোৱা নাছিল।

ইন্দিৰা ছাহনীৰ গোচৰৰ ৯ জন ন্যায়াধীশৰ আটাইকেইজন ন্যায়াধীশে এই মতামত পোষণ কৰা বুলি বোধ হয় যে ভাৰতীয় সংবিধানৰ ১৬(৪) অনুচ্ছেদক মৌলিক অধিকাৰ নহয় বৰঞ্চ সক্ষমতা প্ৰদান কৰা এক ব্যৱস্থা । এই ক্ষেত্ৰত সংশ্লিষ্ট নথিখনৰ ৬৬৭ৰ পৰা ৭৩৫ পৃষ্ঠাত পোৱা ন্যায়াধীশ জীৱন ৰেড্ডীয়ে প্ৰকাশ কৰা মতামত বিবেচনা কৰিব পাৰি, য'ত আন এজন ন্যায়াধীশ চুব্বা ৰাওৰ মতামতৰ উল্লেখ আছে। ন্যায়াধীশ জীৱন ৰেড্ডীৰ মতামতত ১৬(৪) অনুচ্ছেদক কৰ্তৃত্ব বা সামৰ্থ্য প্ৰদান কৰা বিধান হিচাপে গণ্য কৰা হৈছিল আৰু তেওঁ নিশ্চয়তা প্ৰদান কৰা একমাত্ৰ অনুচ্ছেদ হিচাপে অনুচ্ছেদ ১৬(৪)ৰ পৰিৱৰ্তে অনুচ্ছেদ ১৬(১)ৰ কথা উল্লেখ কৰিছিল। ন্যায়াধীশ সাৱন্তেও একেধৰণৰ মতামত প্ৰকাশ কৰিছিল আৰু তেওঁৰ মতামত নথিখনৰ ৫১৭ নং পৃষ্ঠাৰ ৪৩(৪) দফাত পোৱা গৈছে। ন্যায়াধীশ

পাণ্ডিয়ানেও এই দৃষ্টিভংগীক  সমৰ্থন কৰিছিল আৰু তেওঁৰ মতামত ৪০৭ নং পৃষ্ঠাৰ ১৬৮ নং দফাত আছে। ন্যায়াধীশ থমেনেও একেধৰণৰ মতামত প্ৰকাশ কৰিছিল , তেওঁৰ মতামত ৪৪৯ পৃষ্ঠাৰ ২৮৪ নং দফাত পোৱা গৈছে।  ন্যায়াধীশ সাহাইয়ে এক বিশেষ দৃষ্টিভংগী গ্ৰহণ কৰিছিল  , যাৰ সৈতে ন্যায়াধীশ কুলদীপ সিঙে একমত হৈছিল। এই মতামত নথিখনৰ ৫৮০ নং পৃষ্ঠাত উপলব্ধ  । বেছিভাগ ন্যায়াধীশে স্পষ্টভাৱে মতামত প্ৰকাশ কৰিছিল যে সংবিধানৰ ১৬(৪) অনুচ্ছেদে "সক্ষম বিধান" হিচাপে কাম কৰে, অৰ্থাৎ ই চৰকাৰক পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষণৰ সন্দৰ্ভত ব্যৱস্থা ল 'বলৈ ক্ষমতা প্ৰদান কৰে। যদিও পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষণক ৬৯১ পৃষ্ঠাত যুক্তিসংগত শ্ৰেণীবিভাজন হিচাপে ন্যায্যতা প্ৰদান কৰা হৈছিল, ইয়াৰ দ্বাৰা এই কথাটো সলনি নহয় যে ১৬(৪) অনুচ্ছেদক কেৱল এটা সক্ষমকাৰী বিধান বুলি গণ্য কৰা হৈছিল।

ওপৰত উল্লেখ কৰা কাৰণসমূহৰ বাবে আমি এই সিদ্ধান্তত উপনীত হওঁ যে এই পুনৰীক্ষণ আবেদনসমূহৰ কোনো বৈধ ভিত্তি নাই। গতিকে আবেদনসমূহ খাৰিজ কৰা হৈছে।

পুনৰীক্ষণ আবেদনসমূহ খাৰিজ কৰা হৈছে।

অনুবাদক:

মৃণাল কুমাৰ ভট্টাচাৰ্য্য

জ্যেষ্ঠ অনুবাদক

গৌহাটী উচ্চ ন্যায়ালয়